# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-02-2026

**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*

## HEADLINES

১। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেলৰ পৰা আজি বাণিজ্যিক উৰণ আৰম্ভ।

২। পোহৰৰ প্ৰদূষণ নিয়ন্ত্ৰণ আৰু মহাকাশ পৰ্যটনত উদগনি যোগোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ ডাৰ্ক স্কাই উদ্যান স্থাপনৰ পৰিকল্পনা।

৩। আজি দিনৰ ১১ বজাত আকাশবাণী যোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠান।

৪। গুৱাহাটীৰ খানাপাৰাত আজি পবিত্ৰ বৃন্দাবনী বস্ত্ৰ প্ৰদৰ্শনৰ বাবে সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ শুভাৰম্ভ।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকা মুখামুখি।

০০০০০০০

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেলৰ পৰা আজিৰে পৰা বাণিজ্যিক উৰণ আৰম্ভ হ'ব। আকাশ এয়াৰৰ এখন বিমান উৰণেৰে টাৰ্মিনেলটোৰ সেৱা মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ফেচবুক লাইভ যোগে এই কথা ঘোষণা কৰে। ডঃ শৰ্মাই কয়, যে স্থানীয় মানৱ সম্পদৰ পৰিশ্ৰমেৰে নিৰ্মিত এই টাৰ্মিনেল ভৱনটোৱে উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ চৌপাশৰ অঞ্চলসমূহৰ প্ৰৱেশদ্বাৰ হিচাপে অসমৰ বৰ্ধিত ভূমিকাক প্ৰতিফলিত কৰে। অত্যাধুনিক আৰু যাত্ৰীৰ সা-সুবিধাৰে সু-সজ্জিত নতুন টাৰ্মিনেল ভৱনটোৰ দৃশ্য শ্বেয়াৰ কৰি ডঃ শৰ্মাই কয়, যে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰক বিমানৰ মেৰামতি, চাৰ্ভিচিং কৰাৰ অৰ্থে এম আৰ অ' কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। বিমান বন্দৰটোত বয়োজ্যেষ্ঠ লোকৰ সুবিধাৰ বাবে এলিভেটেড ৰাক্‌ৱো ব্যৱস্থা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। ৪ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা নতুন টাৰ্মিনেল ভৱনটোৱে বছৰি ১ কোটি ৩০ লাখ যাত্ৰীয়ে আহ-যাহ কৰিব। অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যৰ সমাহাৰেৰে কপৌফুলৰ আৰ্হিত বাঁহেৰে নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটোৱে বিমান পৰিবহণ কেন্দ্ৰ হিচাপে গুৱাহাটীৰ স্থিতি সৱল কৰি তুলিব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে গুৱাহাটীৰ চানমাৰি-নুনমাটি সংযোগী মহাৰাজ পৃথু উৰণ সেঁতুখন ১০ মাৰ্চত উদ্বোধন কৰা হ'ব বুলি প্ৰকাশ কৰে। সেইদিনাই পুৱাৰ ভাগত ৰাজ্যৰ ৪০ লাখ মহিলাৰ বেংক একাউণ্টত অৰুণোদয় আঁচনিৰ অধীনত ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। ডিফুৰ উৰণ সেঁতুখন ১১ মাৰ্চত মুকলি কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সিদিনাই বিয়লিৰ ভাগত যোৰহাটত নিৰ্মাণ কৰা উৰণ সেঁতু আৰু যোৰহাট কাৰাগাৰৰ উদ্যানখন উদ্বোধন কৰা হ'ব বুলি প্ৰকাশ কৰে।

*-বাইট-*

০০০০০০০

ৰাজ্য চৰকাৰে পোহৰৰ প্ৰদূষণ নিয়ন্ত্ৰণ আৰু মহাকাশ পৰ্যটনত উদগনি আৰু নিশাৰ ভাগৰ জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণৰ উদ্দেশ্যে ডাৰ্ক স্কাই উদ্যান স্থাপনৰ পৰিকল্পনা কৰিছে। ডাৰ্ক স্কাই উদ্যান হৈছে কৃত্ৰিম পোহৰ প্ৰদূষণ কম হোৱা বাবে গ্ৰহ-নক্ষত্ৰ পৰ্যবেক্ষণৰ উপযুক্ত পৰিৱেশ থকা এক প্ৰকাৰৰ উদ্যান। বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ বিষয়াসকলে প্ৰকাশ কৰা মতে, অসমে

এই সন্দৰ্ভত নীতিগতভাৱে কেবিনেটৰ অনুমোদন লাভ কৰিছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৮টা সম্ভাব্য স্থানত বৈজ্ঞানিক মূল্যায়নো সম্পন্ন কৰা হৈছে। কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যান তথা ডিমা হাচাওত এনে উদ্যান স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে।

ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সচিব পল্লৱ ঝাই প্ৰকাশ কৰা মতে পৰৱৰ্তী পৰ্যায়ত স্থানসমূহৰ পুংখানুপুংখ মূল্যায়ন, প্ৰতিষ্ঠানগত সহযোগিতা আৰু প্ৰমাণ-পত্ৰৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতিৰ বিষয়সমূহ চালি-জাৰি চোৱা হ'ব। প্ৰাৰম্ভিক মূল্যায়নৰ তথ্য অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সৰ্বাধিক ৯৪.৬২ শতাংশ কৃত্ৰিম পোহৰৰ প্ৰদূষণৰ পৰা মুক্ত নিৰ্মল আকাশ দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত ৯২ দশমিক ৫-১ শতাংশ অন্ধকাৰ এলেকাৰে মানাহ ৰাষ্ট্ৰীয় উদ্যান দ্বিতীয় আৰু ডিমা হাচাও ৮৭.৫ শতাংশৰে তৃতীয় স্থানত আছে। ডাৰ্ক উদ্যান স্থাপনৰ ক্ষেত্ৰত এই তিনিটা স্থান উপযুক্ত বুলি বিবেচিত হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

পবিত্ৰ বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ বাবে সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ আজি গুৱাহাটীৰ খানাপাৰাত শুভাৰম্ভ কৰা হ'ব। সাংস্কৃতিক  পৰিক্ৰমা বিভাগৰ উদ্যোগত খানাপাৰাত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ চাৰে এঘাৰ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পৰ শুভাৰম্ভ কৰিব। অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, ব্ৰিটিছ সংগ্ৰহালয়ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়া শাখাৰ প্ৰাক্তন মুৰববী টি ৰিচাৰ্ড ব্লাৰ্টন আৰু প্ৰকল্প নিৰ্মাণৰ দায়িত্বত থকা সংস্থাৰ বিষয়ববীয়াসকল  উপস্থিত থাকিব।

0000000

২০২৫-২৬ বৰ্ষৰ চৰচ মেলা আজিৰ পৰা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।  এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০ৰো অধিক বিপণীয়ে অংশ ল'ব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, ত্ৰিপুৰা, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প  আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হ'ব। কাইলৈৰ পৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।  চৰচ মেলাই ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ সুচল কৰিব বুলি আশা কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

0000000

শিল্প সাধনাই এগৰাকী শিল্পীৰ শ্ৰেষ্ঠ ধৰ্ম আৰু এয়াই তেওঁৰ জীৱনৰ আদৰ্শ। আকাশবাণী গুৱাহাটীৰ কালিৰ দৃষ্টিপাত অনুষ্ঠানত যশস্বী কলা নিৰ্দেশক, ভাস্কৰ্য্যশিল্পী, পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদে এই বিষয়ে প্ৰকাশ কৰে। প্ৰায় ৫ দশক জুৰি ৰাজ্যখনত কলা, ভাস্কৰ্য্য ক্ষেত্ৰৰ এটা সন্মানীয় নাম হিচাপে পৰিগণিত শিল্পীগৰাকীয়ে কলাৰ সাধনাৰ সৈতে তেওঁৰ ওতঃপ্ৰোত সম্পৰ্কৰ বিষয়ে এইদৰে শ্ৰোতাক অৱগত কৰে।

-বাইট-

শিল্পীগৰাকীয়ে এই অনুষ্ঠানত নলবাৰী জিলাৰ তেওঁৰ গৃহ গাঁও হাতীকুছিত তৃতীয় শ্ৰেণীত অধ্যয়ন কৰাৰে পৰা নাটকৰ মঞ্চ সজ্জা আৰম্ভ কৰাৰ বিষয়ে জানিবলৈ দিয়ে। পৰৱৰ্তী সময়ত মুম্বাই আৰু দিল্লীত কলা, ভাস্কৰ্য্যৰ আধুনিক কৌশল আয়ত্বকৰণ, পুতলা নাচৰ প্ৰশিক্ষণ গ্ৰহণৰ বিষয়েও অৱগত কৰে। তদুপৰি কলা সাধনাৰ ক্ষেত্ৰত শিল্পীগৰাকীক বিশেষ ভাৱে অনুপ্ৰাণিত কৰা গুৰুজী আদ্য শৰ্মা আৰু বিশিষ্ট সাহিত্যিক, চলচ্চিত্ৰ পৰিচালক ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ বিষয়ে উল্লেখ কৰে। তেওঁ নতুন দিল্লীৰ গণৰাজ্য দিৱসৰ কুছকাৱাজত অসমৰ প্ৰতীক পটৰ নিৰ্মাণ আৰু বটদ্ৰৱা প্ৰকল্পৰ নিৰ্মাণ কাৰ্যৰ অভিজ্ঞতাৰ বিষয়ে উ্ল্লেখ কৰে।

০০০০০০০

উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয় অৰ্থাৎ ডনাৰ মন্ত্ৰালয়ে অসম সহ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যক পথ আন্তঃগাঁথনি উন্নয়নৰ বাবে চলি থকা ৫৫টা প্ৰকল্পৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। অলপতে নতুন দিল্লীত অনুষ্ঠিত উত্তৰ-পূব বিশেষ পথ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ ২৬ সংখ্যক আন্তঃমন্ত্ৰালয় বৈঠকত এই বিষয়ে প্ৰকাশ কৰা হয়। এই অনুসৰি অসমৰ লগতে অঞ্চলটোৰ অন্যান্য ৰাজ্যকেইখনৰ পথ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে আবণ্টিত ধনৰ এহেজাৰ ৫২৯ কোটি এতিয়াও অব্যবহৃত হৈ আছে। ড'নাৰ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই আঁচনিৰ অধীনত ৫ হাজাৰ ৬৩৬ কোটি টকা আবণ্টন দিয়াৰ লগতে ইয়াৰ অধীনত ১২০টা প্ৰকল্প ৰূপায়ণৰ অনুমোদন দিয়া হৈছিল। ইয়াৰ ভিতৰত ৬৫টা সম্পূৰ্ণ হৈছে আৰু ৫৫টা নিৰ্মিয়মান অৱস্থাত আছে। অসমৰ বাবে আবণ্টিত ধনৰ ৩০৯ কোটি ৭৪ লাখ টকা ব্যৱহাৰ কৰিবলৈ বাকী আছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ অধীনত ৰাজ্যখনৰ বাবে এহেজাৰ ৩৯২কোটি ৫৭ লাখ টকা ব্যয় সাপেক্ষ ২১ টা প্ৰকল্পত অনুমোদন দিয়া হৈছে। ইয়াৰ ভিতৰত ১৪টা সম্পূৰ্ণ হৈছে আৰু ৭টাৰ কাম চলি আছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ উন্নয়নৰ দিশত আন গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৮২ খন নতুন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰ শুভাৰম্ভ কৰা হ'ব। ২৯ কোটি টকা ব্যয় সাপেক্ষে আৰম্ভ কৰিবলগীয়া এই সেৱা আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতাল প্ৰেক্ষাগৃহত বিয়লি ৩ বজাত স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে শুভাৰম্ভ কৰিব। এই নৱসংযোজনৰ জৰিয়তে ৪২খন অত্যাধুনিক জীৱনদায়িনী এম্বুলেন্স আৰু ৪০খন অত্যাৱশ্যকীয় জীৱনদায়িনী এম্বুলেন্সৰ সেৱা আৰম্ভ কৰা হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সূত্ৰই প্ৰকাশ কৰা মতে এতিয়ালৈ কমেও ৭১ লাখ লোকক ১০৮ এম্বুলেন্স সেৱা আগবঢ়োৱা হৈছে।

০০০০০০০

বাংলাদেশত তাৰিক ৰহমানৰ নেতৃত্বত নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত দেশখনৰ সৈতে ভাৰতৰ সম্পৰ্ক পুনৰ উন্নত হোৱাৰ দিশত আগবাঢ়িছে। বাংলাদেশে ভাৰতৰ ভিছা সেৱা আৰম্ভ কৰাৰ পাছত ত্ৰিপুৰাৰ আগৰতলাৰ পৰা ঢাকাহৈ কলকাতাক সংযোগ কৰা ৰয়েল মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় বাছসেৱা কালি পৰীক্ষামূলকভাৱে আৰম্ভ কৰা হয়। এই বাছ সেৱা ২৪ ফেব্ৰুৱাৰীৰ পৰা আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব। উল্লেখযোগ্য যে, বাংলাদেশত ছাত্ৰ আন্দোলনৰ ফলত তদানীত্বন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই ভাৰতত আশ্ৰয় গ্ৰহণ আৰু ইয়াৰ পাছত দেশখনত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে এই বাছসেৱা স্থগিত ৰখা হৈছিল। আন্তঃৰাষ্ট্ৰীয় বাছ সেৱা অপাৰেটৰৰ প্ৰৱন্ধক মনোৰঞ্জন দেৱনাথ প্ৰকাশ কৰা মতে, দুয়োখন দেশৰ মাজৰ বাছসেৱা বিষয়ক চুক্তি বাতিল নকৰাৰ পৰিপ্ৰেক্ষিতত মৈত্ৰী বাছসেৱা আৰম্ভ কৰাৰ বাবে পুনৰ অনুমতি লোৱাৰ প্ৰয়োজন নাই। ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহাই বাছ সেৱা পুনৰ আৰম্ভ কৰাৰ বাবে লোৱা পদক্ষেপৰ প্ৰতি আদৰণি জনাইছে। তেওঁ কয়, যে বাংলাদেশত নিৰ্বাচিত চৰকাৰ গঠন হোৱাৰ পাছত এতিয়া অনিশ্চিয়তা আঁতৰিছে। দ্বিপাক্ষিক সম্পৰ্কৰ বাবে এয়া শুভ সংকেট বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

প্ৰৱীণ সাংবাদিক, চিন্তাবিদ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁ বয়স হৈছিল ৯৬ বছৰ। তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক হিচাপে অৱসৰগ্ৰহণ কৰা চক্ৰৱৰ্তীয়ে পৰবৰ্তী সময়ত দৈনিক অসম, দৈনিক জনমভূমি আৰু আজিৰ বাতৰি কাকতকে ধৰি কেইবাখনো কাকতৰ সম্পাদনা

কৰিছিল। ৰাজ্যত সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁক ২০১৯ চনৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত সাংবাদিকতা বঁটাৰে সন্মানিত কৰা হৈছিল।

০০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে লীগ পৰ্যায়ত চাৰিওখন খেলৰ আটাইকেইখনতে জয় লাভ কৰি নিজৰ গ্ৰুপৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। ভাৰতে লীগ পৰ্যায়ৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক পৰাস্ত কৰাৰ পাছত নামিবিয়াক ৯৩ ৰানত পৰাস্ত কৰে। একেদৰে ভাৰতে গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত পাকিস্তানত ৬১ ৰানত আৰু অন্তিমখন খেলত নেডাৰলেণ্ডছক ১৭ ৰানত পৰাস্ত কৰে।

ইয়াৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে জয়েৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰে। দলটোৱে দ্বিতীয়খন খেলত আফগানিস্তানৰ বিৰুদ্ধে ছুপাৰ অভাৰত বিজয় সাব্যস্ত কৰে। দক্ষিণ আফ্ৰিকাই তৃতীয়খন খেলত নিউজিলেণ্ডক ৭ উইকেটত পৰাভূত কৰি ছুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰে। দলটোৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ইউ এ ইৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে। প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত ভাৰত, জিম্বাব'ৱে, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক গ্ৰুপ ৰানত অন্তৰ্ভুক্ত কৰা হৈছে। পাকিস্তান, শ্ৰীলংকা, ইংলেণ্ড আৰু নিউজিলেণ্ডক গ্ৰুপ টুত স্থান দিয়া হৈছে।

প্ৰতিটো দলে নিজৰ গ্ৰুপৰ অন্য দলৰ বিৰুদ্ধে তিনিখন খেলত অৱতীৰ্ণ হ'ব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দুটা দলে ছেমি ফাইনেলত স্থান লাভ কৰিব। ইপিনে, নিউজিলেণ্ড আৰু পাকিস্তানৰ মাজত কালি কলম্বোত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেল বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। ফলত দুয়োটা দলে ১-১ পইণ্ট লাভ কৰে।

০০০০০০০

## News Paper Review/NP

কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসত অমিত শ্বাহ অংশগ্ৰহণ, ৩১ মাৰ্চৰ পূৰ্বে মাওবাদী মুক্ত ভাৰতৰ ঘোষণা, বৰঝাৰৰ বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱনৰ পৰা বাণিজ্যিক উৰণ আজিৰে পৰা আৰম্ভ আদি বাতৰি আটাইবোৰ কাকতৰে শিৰোনাম দখল কৰিছে।

গুৱাহাটীত কালি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে চি আৰ পিয়ে ত্যাগ আৰু নিষ্ঠাৰে দেশক বহুবাৰ ৰক্ষা কৰিছে। এই বাতৰি **দৈনিক জনমভূমি** কাকতৰ।

**দি আছাম ট্ৰিবিউন** কাকতত ৰাজ্য চৰকাৰে পোহৰৰ প্ৰদূষণ ৰোধ কৰা, জ্যোতিৰ পৰ্যটনক উৎসাহ যোগোৱা আৰু নিশাচৰ জৈব বৈচিত্ৰ্যক সুৰক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ৩ খন ডাৰ্ক স্কাই উদ্যান স্থাপনৰ পৰিকল্পনা গ্ৰহণ কৰাৰ এটা বাতৰি প্ৰকাশ হৈছে।

৩১ মাৰ্চৰ পূৰ্বে মাওবাদী মুক্ত হ'ব ভাৰত- গৃহমন্ত্ৰী অমিত শ্বাহৰ এই ঘোষণাৰে **অসমীয়া খবৰ, দি আছাম ট্ৰিবিউন** আদি কাকতৰ লগতে অন্যান্য কাকতেও বাতৰি প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰীৰ নতুন বাসভৱন সেৱা কমপ্লেক্সৰ সমীপৰ তিনিটা বস্তিৰ ৭ শতাধিক পৰিয়ালক অহা ৬ মাৰ্চৰ ভিতৰত ঘৰ খালী কৰিবলৈ প্ৰশাসনে নিৰ্দেশ জাৰি কৰিছে। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতৰ।

নিৰ্বাচনৰ প্ৰাক্ক্ষণত বৰ্তমানৰ কেইবাগৰাকীও বিধায়কে নিজ দল এৰি অন্য দলৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ যো-জা চলাইছে। এই বাতৰি **অসমীয়া প্ৰতিদিন** কাকতৰ।

গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন টাৰ্মিনেলৰ পৰা বাণিজ্যিক উৰণ আজিৰে পৰা আৰম্ভ হ'ব। বাতৰিটো **নিয়মীয়া বাৰ্তা, আমাৰ অসম** কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰিৰ লগতে জৰুৰীকালীন অৱস্থা ঘোষণাৰে সংগ্ৰহ কৰা অবৈধ শুল্ক নীতি বাতিল কৰিবলৈ মাৰ্কিন সৰ্বোচ্চ ন্যায়ালয়ৰ এটা বাতৰি প্ৰকাশ কৰিছে।

**দ্যা চেণ্টিনেল** কাকতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে বিশ্বজুৰি ১৫ শতাংশ নতুন শুল্ক আৰোপ কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

০০০০০০০

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ ৭টা পথৰ আধাৰশিলা স্থাপন আৰু সম্প্ৰসাৰণ কাৰ্য কালি শক্তিমন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকনে শুভাৰম্ভ কৰে। ২৭ কোটি টকা ব্যয় সাপেক্ষ লোক নিৰ্মাণ বিভাগৰ চাবুৰা, লাহোৱাল, খোৱাং আৰু টিংখং পথ সমগুলৰ অধীনত ৩৬ কিলোমিটাৰ পথৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে ৰাইজৰ বহুদিনীয়া সমস্যা সমাধান হ'ব বুলি আশা প্ৰকাশ কৰে। শ্ৰীফুকনে জগন্নাথ মন্দিৰৰ পৰা হাতীমূৰা, ঘৰবন্দীচ'ক, ঢেকেৰীগাঁও, ৰামধেনু, আদিবাসী আৰু বাণিপুৰ উপপথৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**